# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৯২/২০২০

## কেন্দ্ৰীয় বাজেটৰ ওপৰত ‘জন-জন কা বাজেট’ শীৰ্ষক মত-বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## দেশৰ ৫ খন ‘আইকনিক চাইট’ৰ ভিতৰত ঐতিহাসিক শিৱসাগৰক নিৰ্বাচিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰীক ধন্যবাদ জ্ঞাপন

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত ‘জন-জন কা বাজেট’ শীৰ্ষক এক মত-বিনিময় কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে উত্তৰ-পূৰ্বাঞ্চলৰ বহু সংখ্যক শিক্ষাবিদ, অৰ্থনীতিবিদ, নীতি বিশেষজ্ঞ, ঔদ্যোগিক সংস্থাৰ প্ৰতিনিধি আদি বিভিন্ন পক্ষৰ সৈতে ২০২০-২১ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত সন্নিৱিষ্ট বিভিন্ন দিশ সন্দৰ্ভত বিতংভাৱে আলোচনাত মিলিত হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত ভাৰতবৰ্ষই ২০২৪ চনৰ ভিতৰত ৫ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ লক্ষ্যত উপনীত হোৱাৰ দিশত দ্ৰুত গতিৰে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীৰ ‘সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস’ নীতিয়ে দেশৰ প্ৰতিটো প্ৰান্তৰে সম-বিকাশ ত্বৰান্বিত কৰিছে। ২০২০-২১ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক জনমুখী আৰু প্ৰগতিশীল বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে এই বাজেটে সকলোৰে প্ৰত্যাশা প্ৰতিফলিত কৰিছে বুলিও কয়।

২০২০-২১ বৰ্ষৰ কেন্দ্ৰীয় বাজেটখনে সমাজৰ নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীটোক বিশেষভাৱে সকাহ দিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাৰ লগতে এই বাজেটে পৰ্যাপ্ত নিয়োগ সুবিধাৰো সৃষ্টি কৰিব। ২০২৪ চনৰ ভিতৰত দেশৰ প্ৰতিঘৰ মানুহকে পাইপযোগে বিশুদ্ধ খোৱাপানী যোগানৰ অভিলাষী লক্ষ্যৰে হাতত লোৱা ‘জলজীৱন মিচন’ৰ দৰে ব্যয়বহুল কাৰ্যসূচীৰ বাবে এই বাজেটত ১১,৫০০ কোটি টকা ধাৰ্য কৰাৰ কথাও তেওঁ উল্লেখ কৰে।

এইবাৰৰ বাজেটত কেন্দ্ৰীয় চৰকাৰে নিৰ্বাচন কৰা দেশৰ ৫ খন ‘আইকনিক চাইট’ৰ ভিতৰত ঐতিহাসিক শিৱসাগৰকো নিৰ্বাচিত কৰাৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে জিলাখনৰ পুৰাতাত্ত্বিক সমল সমূহৰ বিকাশৰ লগতে পৰ্যটকৰ সা-সুবিধাৰো বিকাশ কৰিব।

পৰৱৰ্তী বৰ্ষৰ ভিতৰতে ব্ৰহ্মপুত্ৰ নদীৰ ধুবুৰীৰ পৰা শদিয়ালৈ ৮৯০ কিঃমিঃ দূৰত্বক ৰাষ্ট্ৰীয় জলপথ-২ হিচাপে উন্নীত কৰিবলৈ চলিত বাজেটত ঘোষিত জলবিকাশ মাৰ্গৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পই ৰাজ্যখনৰ আভ্যন্তৰীণ জলপৰিবহনৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিব। এই জলপথৰ বিকাশে চুবুৰীয়া দেশ সমূহৰ লগত আমদানি-ৰপ্তানি বৃদ্ধি কৰি বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰটো অঞ্চলটোক বিশেষভাৱে উপকৃত কৰিব বুলি তেওঁ মন্তব্য কৰে।

ৰাজ্যখনৰ ৰাজ্যিক জি এছ টি (এছ জি এছ টি) সংগ্ৰহ ১৮ শতাংশ বৃদ্ধি পোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিহেতু ৰাজ্যখনে ৰাজ্যিক জি এছ টিৰ অশংটো সময়মতে আদায় দি আহিছে, ইয়াৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় জি এছ টি (চি জি এছ টি) আৰু সংহত জি এছ টি (আই জি এছ টি) ৰ পৰা ৰাজ্যখনে পাবলগীয়া অংশ সমূহ সোনকালে মোকলাই দিবৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীক অনুৰোধ জনায়।

বৈঠকত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্ধৃতি দি কয় যে আমাৰ বাজেটখন মাথো সংসদৰ ভিতৰতে সীমাৱদ্ধ থকা উচিত নহয়। বাজেট ভাষণ মাথো অৰ্থনীতিবিদ আৰু বিশ্লেষক সকলৰ আলোচনাৰ বিষয়বস্তু হিচাপে ৰৈ যোৱাটো আমাৰ উদ্দেশ্য নহয়। বাজেটখন এইদৰে প্ৰস্তুত হ'ব লাগে যি সাধাৰণ জনতাৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সক্ষম হয়। উত্তৰ-পূৰ্বাঞ্চলৰ মাটি, জলবায়ু, পৰিৱেশ আদিক অতিশয় সুন্দৰ আৰু সেউজীয়া বুলি অভিহিত কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী গৰাকীয়ে কয় যে অঞ্চলটোৰ এই প্ৰাকৃতিক নৈসৰ্গিকতাই মানুহক সজীৱ আৰু প্ৰাণৱন্ত কৰি তোলে। উত্তৰ-পূবত ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত অঞ্চলটোৰ স্থানীয় উদ্যোগী সকলে সন্মুখীন হৈ অহা দীৰ্ঘদিনীয়া প্ৰত্যাহ্বানৰ পৰা এইবাৰৰ বাজেটে তেওঁলোকক সকাহ দিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীন বিকাশৰ প্ৰতি থকা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আন্তৰিকতাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীয়ে এই প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী সকলক সঘনাই উত্তৰ-পূব ভ্ৰমণৰ বাবে প্ৰধানমন্ত্ৰীয়ে দিয়া নিৰ্দেশৰ কথাও উল্লেখ কৰে। সীতাৰমণে কয় যে আমাৰ স্থানীয় উদ্যোগীসকলক ব্যৱসায়ৰ প্ৰতি উৎসাহিত আৰু আকৰ্ষিত কৰিবলৈ হ'লে আমি আমাৰ জটিল প্ৰক্ৰিয়াসমূহ সৰলীকৰণ কৰিব লাগিব। এই উদ্দেশ্য আগত ৰাখিয়েই এইবাৰৰ বাজেটত কেন্দ্ৰীয় চৰকাৰে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলৰ ক্ষেত্ৰত পূৰ্বৰ বহুবোৰ জটিল নীতি-নিয়ম ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিজৰ ভাষণত তেওঁ উত্তৰ-পূবৰ থলুৱা পৰম্পৰাগত উদ্যোগসমূহৰ লগত জড়িত লোকসকলক অৰ্থনৈতিক কাম-কাজত অধিক জড়িতকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত উপস্থিত থকা বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকলে কেন্দ্ৰীয় বাজেটৰ বিভিন্ন দিশ সন্দৰ্ভত উত্থাপন কৰা প্ৰশ্নসমূহৰো উত্তৰ প্ৰদান কৰি তেওঁ বাজেট ভাষণত সন্নিৱিষ্ট জটিল বিষয়সমূহৰ বাখ্যা আৰু স্পষ্টীকৰণো আগবঢ়ায়।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বহু সংখ্যক অৰ্থনীতিবিদ, শিক্ষাবিদ, নীতি নিৰ্দ্ধাৰক, গৱেষককে ধৰি বিভিন্ন ক্ষেত্ৰৰ বহু সংখ্যক ব্যক্তিয়ে অংশ লোৱা এই মত-বিনিময় অনুষ্ঠানত ৰাজ্যৰ বিত্ত, স্বাস্থ্য, গড়কাপ্তানি আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় চৰকাৰৰ বিত্ত, ৰাজহ আৰু অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিবত্ৰয় ক্ৰমে ড° ৰাজীৱ কুমাৰ, অজয় ভূষণ পাণ্ডে আৰু অতনু চক্ৰৱৰ্তী, কেন্দ্ৰীয় পৰোক্ষ কৰ পৰিষদৰ অধ্যক্ষ পি চি মোদী, কেন্দ্ৰীয় কৰ আৰু শুল্ক পৰিষদৰ অধ্যক্ষ এম অজিত কুমাৰ, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণকে প্ৰমুখ্য কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিত্ত বিভাগৰ বহু সংখ্যক উচ্চপদস্থ বিষয়ববীয়া উপস্থিত থাকে।

**স্বাঃডেঃ / প্ৰঃকুঃবঃ**
**২৭/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in